**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-2-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
----------------------------

অসম চৰকাৰে ১০ লাখ কোটিৰ অৰ্থনীতি হোৱাৰ লক্ষ্যৰে বিনিয়োগ অনুকূল নীতিত নতুন ৰূপ প্ৰদান কৰিছে বুলি মুখ্যমন্ত্ৰী ডˆ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। এডভাণ্টেজ আচাম বিনিয়োগ আৰু আন্তঃগাথনি সন্মিলনৰ দ্বিতীয় সংস্কৰণ সাফল্যমণ্ডিত কৰি তোলাৰ প্ৰয়াসৰ অংশ হিচাপে তিনিদিনীয়া ভ্ৰমণসূচীৰে ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে ভ্ৰমণ কালত ছিংগাপুৰত দেশখনৰ আগশাৰীৰ উদ্যোগপতিৰ সৈতে হোৱা আলোচনাত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে অসমৰ সম্পদ আৰু ভৌগোলিক স্থিতিৰ সুবিধাৰে ৰাজ্যখনে দেশৰ অন্যতম বিকশিত ৰাজ্য হোৱাৰ দিশত আগুৱাই গৈছে। ৰাজ্যত ব্যৱসায় অনুকূল পৰিৱেশ সুদৃঢ় কৰাৰ বাবে নুমলীগড় সম্প্ৰসাৰণ, টাটা ছেমি কণ্ডাক্টৰ আৰু নামৰূপ সাৰ কাৰখানাৰ তিনিটা প্ৰকল্প সময়মতে ৰূপায়িত কৰাৰ বাবে চৰকাৰে নিষ্ঠাৰে কাম কৰি আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। ভ্ৰমণ কালত ডˆ শৰ্মাই ছিংগাপুৰৰ উদ্যোগপতি আৰু বিনিয়োগকাৰীসকলৰ সন্মুখত অসমৰ ঔদ্যোগিক পৰিৱেশ, বিনিয়োগৰ সুবিধা আৰু সুচল ব্যৱস্থা সন্দৰ্ভত উপস্থাপন কৰে। তেওঁ লগতে বিনিয়োগকাৰীসকলক উপকৃত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে লোৱা পদক্ষেপৰ বিষয়েও উল্লেখ কৰে। চৰকাৰে এতিয়ালৈকে ছিংগল উইণ্ডো ক্লিয়াৰেন্স ব্যৱস্থাৰে প্ৰায় আঢ়ৈ লাখ ব্যৱসায়িক প্ৰস্তাৱত অনুমোদন জনাইছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰী শৰ্মাই ছিংগাপুৰৰ বিনিয়োগকাৰীসকলক অসমত বিনিয়োগ কৰিবলৈ আমন্ত্ৰণ জনায়। ভ্ৰমণ কালত মুখ্যমন্ত্ৰীয়ে ছিংগাপুৰলৈ অসমৰ পৰা যোৱা সেৱিকাসকলকো সাক্ষাৎ কৰে। ডˆ শৰ্মাই তেওঁলোকৰ সৈতে নাৰ্চিং শিক্ষা সম্প্ৰসাৰণৰ পৰিকল্পনাৰ বিষয়ে মত-বিনিময় কৰে।

000000

কোকৰাঝাৰৰ বি টি আৰ বিধান পৰিষদীয় ভৱনত হ'বলগীয়া অসম বিধানসভাৰ বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী প্ৰস্তুতি সন্দৰ্ভত বুজ ল'বলৈ বি টি আৰৰ প্ৰধান প্ৰমোদ বড়োৱে আজি বিধান পৰিষদীয় ভৱন প্ৰাংগনত উপস্থিত হয়। ১৭ ফেব্ৰুৱাৰীৰ পৰা আৰম্ভ হ'বলগীয়া বিধানসভাৰ বাজেট অধিৱেশন ৰাজ্যপালন লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে প্ৰথম দিনৰ কাৰ্যসূচী আৰম্ভ হ'ব। উল্লেখযোগ্য যে, এই অধিৱেশনত ৰাজ্যৰ ষষ্ঠ অনুসূচী এলেকাক আৰু উন্নত কৰাৰ বিষয়ত সদনত আলোচনা কৰা হ'ব।

000000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি লুইত কোঁৱৰ ৰুদ্ৰ বৰুৱাৰ মৃত্যু বাৰ্ষিকী পালন কৰা হৈছে। ১৯৮০ চনৰ আজিৰ দিনটোতে কলংপৰীয়া গীতিকাৰ হিচাপে পৰিচিত ৰুদ্ৰ বৰুৱাৰ দেহাৱসান ঘটিছিল। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে শিল্পীগৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰিছে। শ্ৰী সোণোৱালে সামাজিক মাধ্যমযোগে কৈছে যে, ৰুদ্ৰ বৰুৱাৰ কালজয়ী গীতসমূহত কেঁচা মাটিৰ গোন্ধ সংমিশ্ৰিত হৈ আছে। অসমৰ তাহানিৰ

জনজীৱনৰ বিভিন্ন দিশৰ প্ৰতিফলনেৰে মাদকতাপূৰ্ণ ৰুদ্ৰ বৰুৱাৰ গীতসমূহ শুনিলে শুনি থাকিবৰ মন যায় বুলি মন্ত্ৰী গৰাকীয়ে উল্লেখ কৰে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **মই ৰেডিঅ' কিয় শুনো** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ অধ্যাপক, সমাজকৰ্মী, প্ৰাক্তন উগ্ৰপন্থী নেতা আৰু সৰ্বসাধাৰণ ৰাইজে ৰেডিঅ'ৰ সৈতে তেওঁলোকৰ সম্পৰ্ক আৰু আকাশবাণীৰ পৰা তেওঁলোকৰ প্ৰত্যাশা সম্পৰ্কত মন্তব্য আগবঢ়াব। অনুষ্ঠানটোৰ পৰিকল্পনা, প্ৰযোজনা আৰু উপস্থাপন ৰাজীৱ লোচন বৰঠাকুৰৰ।

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে দেওবাৰে সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো অনাতাঁৰ মাধ্যম সম্পৰ্কত বিভিন্ন জনৰ মতামত আগবঢ়াব।

০০০০০০

ৰাজ্যৰ ৯৪৪টা পৰীক্ষা কেন্দ্ৰত কাইলৈ চলিত বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰম্ভ হ'ব। এইবাৰ মুঠ ৪লাখ ২৯ হাজাৰ ৪৪৮ গৰাকী পৰীক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। পৰিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি এইবাৰ ৩১টা অতিৰিক্ত পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব আৰু ৪২টা মূল্যায়ন কেন্দ্ৰত উত্তৰ বহী মূল্যায়ন কৰা হ'ব। পৰীক্ষা নিয়াৰিকৈ পৰিচালনাৰ বাবে ইতিমধ্যে সংশ্লিষ্ট জিলা আয়ুক্তসকলে কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১৫ মিটাৰ ব্যাসাৰ্দ্ধৰ ভিতৰত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশ নিষিদ্ধ, মোবাইল ফোন, স্মাৰ্ট ঘড়ী আদিকে ধৰি অন্যান্য ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০

ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদে বিদ্যালয় শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তনৰ সূচনাৰে ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ৰ আধাৰত ২০২৫-২৬ শৈক্ষিক বৰ্ষৰ বাবে ৰাজ্যত নম্বৰবিহীন শিক্ষা ব্যৱস্থা আৰম্ভ কৰিবলৈ সাজু হৈছে। ৰাজ্যিক শিক্ষা গৱেষণা পৰিষদৰ সঞ্চালক ড০ নিৰদা দেৱীয়ে এই কথা প্ৰকাশ কৰি কয় যে এই ব্যৱস্থাত শিক্ষাৰ্থীসকলে প্ৰাথমিক, অগ্ৰগতি, দক্ষ আৰু উন্নত এই চাৰিটা স্তৰত গ্ৰেড দিয়া হ'ব। এই ব্যৱস্থা প্ৰথম পৰ্যায়ত প্ৰথম আৰু দ্বিতীয় শ্ৰেণীত আৰম্ভ হ'ব আৰু পৰৱৰ্ত্তী পৰ্যায়ত অষ্টম শ্ৰেণীলৈ নম্বৰবিহীন শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰা হ'ব। ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে ইতিমধ্যে ৮ পৃষ্ঠাৰ শিক্ষাৰ্থীৰ সৰ্বাংগীন অগ্ৰগতিৰ খতিয়ান পঞ্জী অৰ্থাৎ ৰিপোৰ্ট কাৰ্ড প্ৰস্তুত কৰি উলিয়াইছে। বিদ্যালয়ত নামভৰ্তিৰ সময়ৰ পৰা প্ৰতি তিনি মাহৰ মূৰে মূৰে শিক্ষাৰ্থীৰ পৰ্যবেক্ষণৰ অন্তত ৰিপোৰ্ট কাৰ্ডত মান নিৰূপণ কৰা হ'ব। এই নম্বৰবিহীন ব্যৱস্থাৰ জৰিয়তে প্ৰতিযোগিতাৰ ক্ষেত্ৰত অধিক গুৰুত্ব আৰোপ কৰা হ'ব বুলি সঞ্চালকগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

**সমাপ্ত**